# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-02-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***
***::::::::::::::::::::::::::::::::***

ৰাজ্যত ৮৫৬টা পৰীক্ষা কেন্দ্ৰত আজি চলিত বছৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰম্ভ হৈছে। এইবাৰ মুঠ ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ১ লাখ ৪৪ হাজাৰ ৫০২ গৰাকী ছাত্ৰ আৰু ১ লাখ ৬২ হাজাৰ ৪২৩ গৰাকী ছাত্ৰী আছে। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাত ২ লাখ ৩০ হাজাৰ ৯১ গৰাকী, বিজ্ঞান শাখাত ৫৭ হাজাৰ ৭২৪ গৰাকী, বাণিজ্য শাখাত ১৭ হাজাৰ ৮৬৯ গৰাকী আৰু বৃত্তিমূলক শিক্ষাত এহেজাৰ ২৪১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে। পৰীক্ষা সমাপ্ত হোৱাৰ পাছত ৰাজ্যৰ মুঠ ৪৫টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহীৰ মূল্যায়ন কৰা হ'ব।

ইপিনে, অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যত ৯৪৪টা পৰীক্ষা কেন্দ্ৰত মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব।

০০০০০

এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতি ৰাখি অসম চৰকাৰে অহা ১৭ ফেব্ৰুৱাৰীৰ দিনৰ চাৰে ১১ বজাত মহাকাশ আৰু ভূস্থানীয় প্ৰযুক্তিৰ বিষয়ত এখন অনলাইন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উদ্ভাৱক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু উদ্যোগীসকলক আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ইতিমধ্যে যোৱা ১০ ফেব্ৰুৱাৰীত অনলাইন পঞ্জীয়ন আৰম্ভ হৈছে আৰু ১৬ ফেব্ৰুৱাৰী পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে এই অনলাইন কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ www.advantageassam.assam.gov.in ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত বিজয়ী প্ৰথম তিনিগৰাকী প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। তদুপৰি নিৰ্বাচিত ১০০ গৰাকী প্ৰতিযোগীয়ে এডভাণ্টেজ আছামৰ ভূ-স্থানিক সত্ৰত অংশগ্ৰহণৰ বাবে অহা-যোৱা আৰু থকাৰ সুবিধা লাভ কৰিব।

০০০০০

আজি বিশ্ব অনাতাঁৰ দিৱস। এইবাৰৰ এই দিৱসৰ মূল বিষয় হৈছে ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন। ইউনেস্কোৰ উদ্যোগত ২০১২ চনৰ পৰা পালন কৰি অহা এই দিৱসত অনাতাঁৰ মাধ্যমৰ কাম-কাজ আৰু জনসাধাৰণৰ মাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰাৰ লগতে বিভিন্ন বিষয়ত সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হৈ আহিছে। আজি এই দিৱস উপলক্ষে বিশ্বৰ বিভিন্ন অনাতাঁৰ কেন্দ্ৰত ভিন ভিন কাৰ্যসূচীৰে আয়োজন কৰা হয়।

আকাশবাণীৰ সঞ্চালক প্ৰধান ড° প্ৰজ্ঞা পালিৱাল গৌড়ে এই উপলক্ষে দিয়া এটা বাণীত আকাশবাণীক অধিক দায়বদ্ধ আৰু সমাজ সচেতন কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে চানমাৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন শীৰ্ষক এটা বক্তৃতাৰ আয়োজন কৰিছে। বিশিষ্ট বিজ্ঞানী তথা শিক্ষাবিদ ড° অৰনী কুমাৰ ভাগৱতীয়ে এই বক্তৃতা আগবঢ়াব। এই বক্তৃতাৰ পাছতেই কেন্দ্ৰৰ ঘোষক-ঘোষিকাসকলে **আকাশী লহৰ** নামৰ গীত-মাত আৰু আবৃত্তিৰ আন এটা অনুষ্ঠান পৰিবেশন কৰিব। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰই বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে আজি নিশা ৯ বজাত এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ভাগ ল'ব দূৰদৰ্শনৰ অভিযান্ত্ৰিক শাখাৰ উপসঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক নয়ন প্ৰসাদে। অনুষ্ঠানটোৰ আঁত ধৰিব উজ্বল বৰাই।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই পৰহিলৈ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত কেন্দ্ৰ অভিযন্তা থগাৰাম ৰাভাৰ কালি সন্ধিয়া গুৱাহাটী বিৰুবাৰীৰ নিজা বাসভৱনত মৃত্যু হয়। যোৱা সপ্তাহত ব্ৰেইন ষ্ট্ৰোকত আক্ৰান্ত হৈ বাসগৃহতে চিকিৎসাধীন হৈ থকা ৰাভাৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৮ বছৰ। আজি দুপৰীয়া নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে আজি থগাৰাম ৰাভাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০০

সমাপ্ত